33T HIST

# 2023

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **3** *carries* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **4** *carries* **6** *marks each* | 6×3 = 18 |
| *Q. No.* **5** *carries* **6** *marks each* | 6×1 = 6 |
| | Total =100 |

1. Answer the following questions : *( any twelve )* 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *( যিকোনো বাৰটা )*

*(i)* Write the meaning of the word 'Mohenjo-daro'.

'মহেঞ্জোদাৰো' শব্দৰ অৰ্থ লিখা। মৃত লোকৰ টিলা ।

*(ii)* Who was known as 'Devanampiya' ?

'দেৱনামপিয়' নামেৰে কাক জনা যায়? অশোক

*(iii)* Who first deciphered Brahmi and Kharosthi scripts ?

কোনে প্ৰথমে ব্ৰাহ্মী আৰু খাৰোষ্ঠী আখৰৰ পাঠোদ্ধাৰ কৰিছিল? জেমচ প্ৰিন্সেপ ।

*(iv)* Who authored 'Arthasastra' ?

'অৰ্থশাস্ত্ৰ' কোনে ৰচনা কৰিছিল? কৌটিল্য

*(v)* Who was the founder of the Varman dynasty ?

বৰ্মণ বংশ কোনে প্ৰতিষ্ঠা কৰিছিল? পুষ্য বৰ্মন ।

*(vi)* Who described painting as a 'magical art' ?

চিত্ৰকলাক 'যাদুকলা' বুলি কোনে অভিহিত কৰিছিল? আবুল ফজলে ।

*(vii)* Name *one* major composition of Shrimanta Shankardeva.

শ্ৰীমন্ত শংকৰদেৱৰ এখন উল্লেখযোগ্য গ্ৰন্থৰ নাম লিখা। কীৰ্তন ।

(viii) What does the word 'Harem' mean ?

'হাৰেম' শব্দই কি বুজাইছিল?

(ix) Where was Guru Nanak born ?

গুৰু নানকৰ জন্ম ক'ত হৈছিল?

(x) What was Mahanavami Dibba ?

মহানৱমী ডিব্বা কি?

(xi) Who was the last Mughal Emperor ?

মোগল সাম্ৰাজ্যৰ শেষৰজন সম্ৰাট কোন আছিল?

(xii) Who introduced Doctrine of Lapse ?

স্বত্ববিলোপ নীতি কোনে প্ৰণয়ন কৰিছিল?

(xiii) Who coined the name 'Pakistan' ?

'পাকিস্তান' নামটোৰ ৰূপ কোনে দিছিল? চৌধুৰী ৰহমান আলি।

(xiv) When was the Indian National Congress formed ?

ভাৰতীয় জাতীয় কংগ্ৰেছ কেতিয়া গঠন হৈছিল? ১৮৮৫

(xv) Where was the first girls' school opened in Assam ?

অসমৰ প্ৰথমখন বালিকা বিদ্যালয় ক'ত স্থাপন কৰা হৈছিল?

(xvi) Name the famous work of Ibn Battuta.

ইবন বটুতাৰ বিখ্যাত গ্ৰন্থখনৰ নাম লিখা। ৰিহলা।

2. Answer the following questions in brief : ***( any twelve )*** 2×12=24

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ ***( যিকোনো বাৰটা )***

(i) Write *two* causes of the downfall of the Harappan Civilization.

হৰপ্পা সভ্যতাৰ পতনৰ *দুটা* কাৰণ লিখা।

(ii) Who were the Prativedakas ? Mention *one* duty of the Prativedakas.

প্ৰতিবেদকসকল কোন আছিল? প্ৰতিবেদকসকলৰ *এটি* দায়িত্বৰ বিষয়ে উল্লেখ কৰা।

(iii) Give *two* examples of right occupation.

আদৰ্শ জীৱিকাৰ *দুটা* উদাহৰণ দিয়া।

(iv) Name the *four* divisions of Kamrupa as mentioned in the Yogini Tantra.

যোগিনী তন্ত্ৰত থকা উল্লেখ অনুযায়ী কামৰূপৰ *চাৰিটা* ভাগৰ নাম লিখা।

(v) Give *two* examples of Buranjis written in the Ahom period.

আহোম যুগত প্ৰণয়ন কৰা *দুখন* বুৰঞ্জীৰ নাম লিখা।

(vi) Name *two* kinds of postal system in India.

ভাৰতত প্ৰচলিত *দুটা* ডাক ব্যৱস্থাৰ নাম লিখা।

(vii) What were the *two* land revenue arrangements under the Mughals ?

মোগল যুগৰ ভূমি ৰাজহ ব্যৱস্থা *দুটা* কি কি আছিল ?

(viii) Who discovered the ruins of Hampi and when ?

কোনে, কেতিয়া হাম্পী নগৰৰ ধ্বংসাৱশেষ আৱিষ্কাৰ কৰিছিল ?

(ix) Mention *two* sources used to reconstruct the history of Sufi tradition.

চুফী পৰম্পৰাৰ ইতিহাস পুনঃনিৰ্মাণৰ বাবে ব্যৱহৃত *দুটা* সমলৰ নাম উল্লেখ কৰা।

(x) Who were Lal-Bal-Pal ?

লাল-বাল-পাল কোন আছিল ?

(xi) Name *two* novels based on India's partition.

ভাৰত বিভাজনৰ পটভূমিত ৰচিত *দুখন* উপন্যাসৰ নাম লিখা।

(xii) Name *two* important crops grown in Awadh.

অৱধত উৎপাদন হোৱা *যিকোনো দুবিধ* খেতিৰ নাম লিখা।

(xiii) Write *two* limitations of oral sources.

মৌখিক সমলৰ *দুটা* সীমাবদ্ধতা লিখা।

(*xiv*) Name *any two* members of the drafting committee of the Indian Constitution.

ভাৰতীয় সংবিধানৰ খচৰা সমিতিৰ *যিকোনো দুজন* সদস্যৰ নাম লিখা।
গোপালস্বামী আয়েংগাৰ, ভীমৰাও আম্বেদকাৰ।

(*xv*) Write *two* characteristics of the Indian Constitution.

ভাৰতীয় সংবিধানৰ *দুটা* বৈশিষ্ট্য লিখা।

3. Answer the following questions : ***(any ten)*** 4×10=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ ***(যিকোনো দহটা)***

(*i*) Explain the pattern of domestic architecture of Mohenjo-daro.

মহেঞ্জোদাৰোৰ গৃহ স্থাপত্য কলা প্ৰণালীৰ এটা ব্যাখ্যা আগবঢ়োৱা।

(*ii*) What were the different rules of marriage suggested by the 'Dharmashastras' and 'Dharmasutras' for the Indian Hindus ?

'ধৰ্মশাস্ত্ৰ' আৰু 'ধৰ্মসূত্ৰ' সমূহে দিয়া বিধান অনুসৰি ভাৰতীয় হিন্দু বিবাহ পদ্ধতিবোৰ কি কি?
আঠ প্ৰকাৰৰ।

(*iii*) Write a note on the administrative system of the Mauryan Empire.

মৌৰ্য্য সাম্ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে এটি টোকা লিখা।

(*iv*) Write a brief note on the Renaissance in Assam.

অসমৰ নৱজাগৰণৰ বিষয়ে এটি চমু টোকা লিখা।

(*v*) Discuss about Mir Jumla's invasion of Assam.

মীৰ জুমলাৰ অসম আক্ৰমণৰ বিষয়ে আলোচনা কৰা।

(vi) Discuss the role of Maniram Dewan in the Revolt of 1857.

১৮৫৭ চনৰ বিদ্ৰোহত মণিৰাম দেৱানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(vii) Give a brief description of the fortification and roads of Vijaynagar.

বিজয় নগৰৰ দুৰ্গ আৰু ৰাস্তাসমূহৰ এটি বিৱৰণ দিয়া।

(viii) Write a note on Abul Fazal's 'Ain-i-Akbari'.

আবুল ফজলৰ 'আইন-ই-আকবৰী'ৰ বিষয়ে এটি টোকা লিখা।

(ix) Discuss the major teachings of Kabir.

কবীৰৰ মুখ্য বাণীসমূহ আলোচনা কৰা।

(x) Why did the Santhal rebel against the British rule ?

সান্থালসকলে বৃটিছ শাসনৰ বিৰুদ্ধে কিয় বিদ্ৰোহ কৰিছিল?

(xi) Give a description of the architecture of Bombay.

বম্বেৰ (মুম্বাই) স্থাপত্যৰ এটি বিৱৰণ দিয়া।

(xii) Write an essay on the Quit India Movement.

ভাৰত ত্যাগ আন্দোলন সম্পৰ্কে এখন ৰচনা লিখা।

2019

(xiii) What was Gandhi-Irwin Pact ? Write *two* terms of the Pact. 2+2=4

গান্ধী-আৰউইন চুক্তি কি? এই চুক্তিৰ *দুটা* দফা লিখা।

(xiv) What were the problems with seperate electorate ?

পৃথক ভোটাধিকাৰৰ সমস্যা কি আছিল?

4. Read the following passages carefully and answer the questions that follow : *(any three)* $6 \times 3 = 18$

তলৰ পাঠ্যাংশবোৰ ভালদৰে পঢ়া আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)*

(a) Prabhavati Gupta and the village Danguna.

This is what Prabhavati Gupta states in her inscription :

Prabhavati Gupta...commands the *gramakutumbinas* (house-holders/ peasants living in the village), Brahmanas and others living in the village of Danguna..."Be it known to you that on the twelfth (lunar day) of the bright (fortnight) of Karttika, we have, in order to increase our religious merit donated this village with the pouring out of water, to the *Acharya* (Teacher) *Chanalasvamin*... You should obey all (his) commands...

We confer on (him) the following exemptions typical of an *agrahara*.. (this village is) not to be entered by soldiers and policemen; (it is) exempt from (the obligation to provide) grass, (animal) hides as seats, and charcoal (to touring royal officers) : exempt from (the royal prerogative of) purchasing fermenting liquors and digging (salt) ; exempt from (the right to) mines and *Khadira* trees; exempt from (the obligation to supply) flowers and milk; (it is donated) together with (the right to) hidden treasures and deposits (and) together with major and minor taxes..."

(i) What was *Agrahara* ? 1

(ii) Who donated the village and to whom ? 1+1=2

(iii) What were the exemptions granted to the Agrahara Danguna ? 3

প্ৰভাৱতী গুপ্তা আৰু দনগুনা গাঁও

প্ৰভাৱতী গুপ্তই তেওঁৰ লিপিত উল্লেখ কৰিছে,

প্ৰভাৱতী গুপ্তই .... গ্ৰাম কুটুম্বিনী (গাঁৱৰ গৃহস্থ/কৃষক) ব্ৰাহ্মণ আৰু দনগুনা গাঁৱৰ অন্য বাসিন্দাসকলক আদেশ দিছে .....

"আপোনালোকৰ জ্ঞাতাৰ্থে জনোৱা হৈছে যে কাতি মাহৰ শুক্লাদ্বাদশী তিথিত পুণ্য অৰ্জনৰ নিমিত্তে জল অৰ্পণ কৰি আচাৰ্য চনাল স্বামীক এই গাঁওখন দান কৰা হৈছে। আপোনালোকে তেওঁৰ সকলো আদেশ পালন কৰিব।"

এখন অগ্ৰহাৰৰ নিমিত্তে উপযুক্ত ৰেহাইৰ নিৰ্দেশ দিয়া হৈছে। এই গাঁৱত পুলিচ আৰু সৈনিকৰ প্ৰৱেশ নিষেধ। ভ্ৰমণত অহা ৰাজকৰ্মচাৰীসকল কয়লা আৰু তেওঁলোকৰ বাহন হিচাবে অনা জীৱজন্তুক ঘাঁহ দিয়া দায়িত্বৰ পৰা গাঁওবাসীক ৰেহাই দিয়া হৈছে। লগতে মদিৰা ক্ৰয় কৰোতা আৰু নিমখ খনন কৰা ৰাজহ অধিকাৰী—সকলক সহায় কৰাৰ পৰা মুক্ত হ'ব। খনিজ পদাৰ্থ, খদিৰা বৃক্ষৰপৰা উৎপাদিত সামগ্ৰী, ফুল আৰু গাখীৰ দিয়াৰ পৰা গাঁওবাসীক ৰেহাই দিয়া হৈছে। গাঁৱৰ ভূগৰ্ভত থকা সম্পত্তি তথা গাঁৱৰ ভিতৰে বাহিৰে থকা সকলো সম্পত্তি সৰু ডাঙৰ সকলো কৰৰ সৈতে গাঁওখন দান কৰা হৈছে।

*(i)* অগ্ৰহাৰ কি? 1

*(ii)* কোনে কাক দনগুনা গাঁওখন দান কৰিছিল? 1+1=2

*(iii)* দনগুনাক কি কি ক্ষেত্ৰত ৰেহাই দিয়া হৈছিল? 3

(b) The Buddha (and other teachers) taught orally-through discussion and debate. Men and women (perhaps children as well) attended these discourses and discussed what they heard. After his death (c.fifth-fourth century BCE) his teachings were complied by his disciples at a council of "elders" or senior monks at Vaishali. These compilations were known as *Tripitakas*–literally, three baskets to hold different types of texts. They were first transmitted orally and then written and classified according to length as well as subject matter.

The *Vinaya Pitaka* included rules and regulations for those who joined the sangha or monastic order; the Buddha's teachings were included in the *Sutta Pitaka*; and the *Abhidhamma Pitaka* dealt with philosophical matters. Each Pitaka comprised a number of individual texts. Later, commentaries were written on these texts by Buddhist scholars.

(i) What are *Tripitakas* ? Name them. 2+1=3

(ii) What do the three Pitakas deal with ? 3

বুদ্ধইও অন্য ধৰ্ম প্ৰচাৰকসকলৰ দৰে ধাৰ্মিক আৰু লোক-কল্যাণমূলক তত্ত্ব আৰু উপদেশসমূহ মৌখিক ৰূপত প্ৰচাৰ কৰিছিল। পুৰুষ, মহিলা সম্ভৱতঃ ল'ৰা-ছোৱালীও তেওঁৰ শ্ৰোতা আছিল। বুদ্ধৰ জীৱন কালত তেওঁৰ কোনো বক্তৃতা বা ধৰ্মমূলক উপদেশসমূহ লিপিবদ্ধ কৰা হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পাচত (খৃঃ পূঃ পঞ্চম-চতুৰ্থ শতিকা) বৈশালীত অনুষ্ঠিত এখন ধৰ্মীয় আলোচনা সভাত তেওঁ জ্যেষ্ঠ ভিক্ষুসকলৰ দ্বাৰা তেওঁৰ এই ধৰ্মৰ বাণীসমূহ সংকলন কৰা হৈছিল। এনদৰে লিখিত ৰূপ পোৱা বৌদ্ধ দৰ্শনৰ মূল গ্ৰন্থখন ত্ৰিপিটক নামে জনা যায়। ইয়াৰ শব্দগত অৰ্থ হ'ল তিনিটা পাচি। এইবোৰে প্ৰথমে মৌখিক-ভাবে এঠাইৰপৰা আন এঠাইলৈ প্ৰেৰিত হৈছিল। তাৰ পাচত হে বিষয় অনুসৰি এইবোৰ শ্ৰেণীবিভাগ কৰি লিপিবদ্ধ কৰা হৈছিল। ত্ৰিপিটক তিনিখন পিটকৰ সমষ্টি। সেই কেইখন হ'ল—বিনয়, সূত্ত আৰু অভিধৰ্ম্ম পিটক।

বিনয় পিটকত মিছনেৰী বা ভিক্ষু সন্যাসীসকলৰ চলন-ফুৰণ আৰু আচাৰ-ব্যৱহাৰৰ নীতি-নিয়মসমূহ পোৱা গৈছিল। সূত্ত (সূত্ৰ) পিটকত বুদ্ধৰ মূল শিকনিসমূহ লিপিবদ্ধ আছিল আৰু অভিধৰ্ম্ম পিটকত দাৰ্শনিক তত্ত্বৰ অৱতাৰণা কৰা আছে। প্ৰত্যেকখন পিটকেই কেইবাখনো গ্ৰন্থৰ সমষ্টি।

পৰৱৰ্তীসময়ত বৌদ্ধ পণ্ডিতসকলে এই গ্ৰন্থসমূহৰ টীকা ভাষ্য ৰচনা কৰিছিল।

*(i)* ত্ৰিপিটক কি? ত্ৰিপিটক কেইখনৰ নাম লিখা। 2+1=3

*(ii)* পিটক কেইখনত কি বিষয় লিপিবদ্ধ কৰা হৈছে? 3

(c) Ibn Battuta's account of Delhi :

The city of Delhi covers a wide area and has a large population... The rampart round the city without parallel.

The breadth of its wall is eleven cubits; and inside it are houses for night sentry and gate-keepers. Inside the ramparts, there are store-houses for storing edibles, magazines, ammunition, ballistas and siege machines. The grains that are stored (in these ramparts) can last for a long time, without rotting...In the interior of the rampart, horsemen as well as infantrymen move from one end of the city to another. The rampart is pierced through by windows which open on the side of the city, and it is through these windows that light enters inside. The lower part of the rampart is built of stone ; the upper part of bricks. It has many towers close to one another. There are twenty eight gates of this city which are called *darwaza*, of these, the Budaun *darwaza* is the greatest; inside the Mandwi *darwaza* there is a grain market...It (the city of Delhi) has a fine cemetery in which graves have domes over them, and those that do not have a dome, have an arch, for sure. In the cemetery they sow flowers such as tuberose, jasmine, wild rose, etc; and flowers blossom there in all seasons.

(i) How many gates were there in the city of Delhi ? Name the greatest gate. 1+1=2

(ii) Give a brief description of the ramparts of Delhi as described by Ibn Battuta. 2

(iii) How was the cemetery of Delhi ? 2

ইবনবটুতাৰ বৰ্ণনাৰ দিল্লী—

বৃহৎ জনসংখ্যাৰে দিল্লী নগৰখনে এক বিস্তৃত অঞ্চল জুৰি আছিল।

চহৰখন অসমান পকাৰ প্ৰাচীৰেৰে বেৰি আছিল। প্ৰাচীৰসমূহ বহলে ১১ ফুট আছিল। ইয়াৰ ভিতৰফালে দুৱাৰ ৰখীয়া আৰু ৰাতিৰ পহৰাদাৰৰ ঘৰ আছিল। দুৰ্গৰ ভিতৰত খোৱাৰ বস্তু, গুলী-বাৰুদ, ক্ষেপণাস্ত্ৰ আৰু দুৰ্গ আক্ৰমণৰ যন্ত্ৰপাতিৰ ভঁৰাল আছিল। এই গঁড়ৰ ভিতৰত ৰখা খাদ্য দ্ৰব্যসমূহ বহুদিন ধৰি নপচাকৈ আছিল। দুৰ্গটোৰ ভিতৰত অশ্বাৰোহী আৰু পদাতিক সৈন্যই নগৰখনৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰিছিল। প্ৰাচীৰসমূহ খিৰিকীযুক্ত আছিল, নগৰফালৰ খোলা খিৰিকীৰে ভিতৰখন পোহৰাই ৰাখিছিল। বেৰসমূহৰ তলৰ অংশ শিল আৰু ওপৰ অংশ ইটাৰে নিৰ্মিত। ওচৰা-উচৰিকৈ ভালেমান গম্বুজ আছিল। তাত ২৪ খন প্ৰৱেশদ্বাৰ আছিল, এইবোৰক দৰৱাজা বুলি কোৱা হৈছিল। ইয়াৰে আটাইতকৈ ডাঙৰ দৰৱাজাখন আছিল বুন্দন দৰৱাজা। মান্দী দৰৱাজাৰ ভিতৰত এখন শস্যৰ বজাৰ আছিল। .....দিল্লী চহৰত এখন সুন্দৰ কবৰস্থান আছিল। প্ৰতিটো কবৰৰ ওপৰত একোটা গোলাকৃতি স্তম্ভ নিৰ্মাণ কৰা হৈছিল। কবৰস্থান-খনত তেওঁলোকে ৰজনীগন্ধা, গোলাপ, জেচমিন, বনৰীয়া গোলাপ আদি ফুল ৰুইছিল আৰু গোটেই বছৰজুৰি এই ফুলবোৰ ফুলি আছিল।

*(i)* দিল্লী চহৰত কেইখন প্ৰৱেশদ্বাৰ আছিল? আটাইতকৈ ডাঙৰ প্ৰৱেশদ্বাৰখনৰ নাম কি আছিল? 1+1=2

*(ii)* ইবন বটুতাৰ দৃষ্টিৰে দিল্লীৰ দুৰ্গবোৰৰ এটি বৰ্ণনা দিয়া। 2

*(iii)* দিল্লীৰ কবৰস্থানখন কেনেকুৱা আছিল? 2

(d) "I believe seperate electorates will be suicidal to the minorities."

During the debate on 27th August, 1947, Govind Ballabh Pant said, "I believe seperate electorates will be suicidal to the minorities and will do them tremendous harm. If they are isolated for ever, they can never convert themselves into a majority and feeling of frustration will cripple them even from the very beginning. What is it that you desire and what is our ultimate objective ? Do the minorities always want to remain as minorities or do they ever expect to form an integral part of the great notion and as such to guide and control its destinies ? If they do, can they ever achieve that aspiration and that ideal if they are isolated from the rest of the community ? I think it would be extremely dangerous for them if they were segregated from the rest of the community and kept aloof in an air-tight compartment where they would have to rely on others even for the air they breath... The minorities if they are returned by seperate electorates can never have any effective voice."

(i) Why did Govind Ballabh Pant believe that seperate electorates would be a suicidal step to the minorities ? 3

(ii) Why, according to Pant, seperate electorates would be dangerous for the minorities ? 3

“মই ভাবো পৃথক নিৰ্বাচন সংখ্যালঘুসকলৰ বাবে আত্মঘাটী হ'ব”

১৯৪৭ চনৰ ২৭ আগষ্টত বিতৰ্ক চলি থকা সময়তে গোবিন্দ বল্লভ পন্টে কৈছিল,

“মই ভাবো পৃথক নিৰ্বাচন সংখ্যালঘুসকলৰ বাবে আত্মঘাটী হ'ব আৰু তেওঁলোকক সাংঘাতিক অনিষ্ট কৰিব। তেওঁলোকে যদি চিৰকালৰ বাবে অকলশৰীয়া হৈ যায়, তেওঁলোকে কেতিয়াও সংখ্যাগৰিষ্ঠ হ'ব নোৱাৰিব আৰু হতাশাৰ অনুভৱে তেওঁলোকক আনকি আৰম্ভনিৰেপৰা পংগু কৰিব। আপোনালোকে কি বিচাৰে আৰু আমাৰ অন্তিম উদ্দেশ্য কি? সংখ্যালঘুসকলে সদায় সংখ্যালঘু হৈ থাকিব বিচাৰে বা তেওঁলোকে এটা বিশাল জাতিৰ অপৰিহাৰ্য্য অংশ হৈ থাকিব বিচাৰে আৰু তেনেদৰে তেওঁলোকৰ উদ্দেশ্যসমূহৰ পথ-প্ৰদৰ্শক আৰু নিয়ন্ত্ৰণ কৰিব খোজে। যদি সেইটো কৰে, তেন্তে বাকী সম্প্ৰদায়বিলাকৰপৰা পৃথক হৈ তেওঁলোকে এই আদৰ্শ আৰু আকাংক্ষা লাভ কৰিব পাৰিবনে? মই ভাবো, তেওঁলোকে আন জাতিসমূহৰ পৰা পৃথক হোৱাটো তেওঁলোকৰ কাৰণে অত্যন্ত বিপদজ্জনক আৰু বতাহ সোমাব নোৱাৰা এটা আৱাসগৃহত আবদ্ধ হৈ ৰ'ব, য'ত তেওঁলোকে আনকি উশাহ ল'বৰ কাৰণে বতাহ পাবলৈ আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব।...সংখ্যালঘুসকল পৃথক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত হ'লেও তেওঁলোকৰ কোনো সফল অভিমত নাথাকিব।”

(*i*) পৃথক নিৰ্বাচকমণ্ডলী সংখ্যালঘুসকলৰ বাবে আত্মঘাটী হ'ব বুলি গোবিন্দ বল্লভ পন্টে কিয় ভাবিছে? 3

(*ii*) সংখ্যালঘুসকলৰ বাবে পৃথক নিৰ্বাচকমণ্ডলী অতি বিপজ্জনক হ'ব বুলি পন্টে কিয় কৈছে? 3

5. (*i*) Draw a map of India and plot *three* areas under the Mughals. 3+3=6

ভাৰতবৰ্ষৰ এখন মেপ আঁকা আৰু মোগল শাসনাধীন *তিনিটা* অঞ্চল চিহ্নিত কৰা।

*Or/ অথবা*

(*ii*) Draw a map of India and plot *three* places where the Revolt of 1857 held. 3+3=6

ভাৰতবৰ্ষৰ এখন মেপ আঁকা আৰু ১৮৫৭ চনৰ বিদ্ৰোহ হোৱা *তিনিটা* অঞ্চল চিহ্নিত কৰা।

—— × ——